## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ তৃতীয়  বিষয় ঃ ভাষা-১ (অসমীয়া)  দ্বিতীয় সাময়িকী (এপ্ৰিল, মে', জুন), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

ক) শুদ্ধ বানান

- ⇨ ছাত্ৰ-ছাত্ৰীয়ে বাক্যত ধ্বনিৰ মিল থকা অথচ অৰ্থৰ মিল নথকা শব্দৰ সঠিক প্ৰয়োগ কৰিব পাৰিব।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ ভাঙিব আৰু গঠন কৰিব পাৰিব।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰযুক্ত বাক্য আৰু সৰু দফা লিখিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি দ্বিতীয় সাময়িকী (এপ্ৰিল, মে', জুন)লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) আগলি বাঁহত বগলীৰ বাহ | - পাঠ নং ৪ |
| খ) মাকণৰ চিঠি | - পাঠ নং ৫ |
| গ) ময়ূৰপক্ষীৰ জন্ম কাহিনী | - পাঠ নং ৬ |
| ঘ) সবৰমতী আশ্ৰমত গান্ধীজী | - পাঠ নং ৭ |
| ঙ) গাই গাই যাওঁ | - পাঠ নং ৮ |

**পাতনি ঃ**

এই সমলসামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন - ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। NCF-2005 য়ে লিখন কেৱল ভাষা বিষয়ৰ শিক্ষাৰ ক্ষেত্ৰতে সীমাবদ্ধ নাৰাখি বিদ্যায়তনিক আন সকলো বিষয়তে লিখন কৌশল পৰিপুষ্ট কৰি সেই বিষয়সমূহৰ অৰ্থবোধ জন্মিব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলৰ ভাষাৰ বিকাশ হোৱাটো বিচাৰিছে।

লিখন ভাষা শিক্ষাৰ এক গুৰুত্বপূৰ্ণ কৌশল। ভাষাৰ চাৰিওটা কৌশলৰ তিনিটা কৌশল আয়ত্ত কৰাৰ পাছত লিখন কৌশল আয়ত্ত নহ'লে ভাষা শিক্ষা সম্পূৰ্ণ নহয়। ভাষাৰ ৰূপ দুটা — এটা কথিত আৰু আনটো লিখিত। প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক আৰম্ভণিৰ পৰাই শুদ্ধভাৱে লিখিত ৰূপটোৰ শুদ্ধ লিখন কৌশল আয়ত্ত কৰোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে।

গুণোৎসৱৰ মূল্যায়নৰ তথ্য অনুযায়ী ছাত্ৰ-ছাত্ৰীসকলৰ দুৰ্বল হিচাপে চিহ্নিত কৰা ক্ষেত্ৰ হ'ল- লিখনৰ অপাৰগতা। ছাত্ৰ-ছাত্ৰীসকলৰ লিখন শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ হিচাপে চিহ্নিত দিশবোৰ হ'ল— (ক) বৰ্ণাশুদ্ধি, (খ) দুটা বা তাতোধিক শব্দযুক্ত বাক্য গঠনৰ অপাৰগতা, (গ) যুক্তাক্ষৰ থকা শব্দ ভুলকৈ লিখা। কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীৰ দৈনন্দিন পাঠ সৰৱে পঢ়িবলৈ সক্ষম হ'লেও লিখিবলৈ সক্ষম নহয় বা লিখোঁতে বানান ভুল কৰে। সেয়ে লিখন দক্ষতা আয়ত্তকৰণৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰা কাৰকসমূহ চিনাক্ত কৰি শিকন কাৰ্যত সহায় হোৱাকৈ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰয়োজনীয় বুলি ভবা শিকন পৰিকল্পনা আৰু অনুশীলনী কিছুমানেৰে গোটটো সজাবলৈ বিচৰা হৈছে। সেয়েহে লিখন কৌশল বিকাশৰ বাবে পাঠ্যপুথিত থকা ক্ৰিয়া-কলাপৰ উপৰি কিছু নতুন ক্ৰিয়া-কলাপ এই সমলটোত সন্নিৱিষ্ট কৰা হৈছে। শিক্ষক-শিক্ষয়িত্ৰীসকলে এই সমলসামগ্ৰীৰ জৰিয়তে নতুন নতুন শিক্ষণ-শিকন প্ৰক্ৰিয়া উদ্ভাৱন কৰি শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি সুফল পাব বুলি আশা কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম -**

- ➡ মাতৃভাষাৰ ভেঁটি সবল কৰাৰ লগতে অন্যান্য বিদ্যায়তনিক বিষয়সমূহো ভালদৰে শিকিবলৈ হ'লে লিখন অৰ্হতাৰ প্ৰয়োজন।
- ➡ ধ্বনিৰ মিল অথচ অৰ্থৰ মিল নথকা শব্দ লিখনিত প্ৰয়োগ কৰিব পৰা।
- ➡ যুক্তাক্ষৰ ভঙা আৰু যোৰা লগোৱাৰ উপৰি যুক্তাক্ষৰ থকা শব্দ লিখনিত ব্যৱহাৰ কৰিব পৰা।
- ➡ মনলৈ অহা ভাব, বিভিন্ন ছবি চাই, সাধু আদি বৰ্ণনা কৰি লিখিব পৰা।

**এই সমল সামগ্ৰীটোৰ পৰা শিক্ষক হিচাপে কি শিকিব পাৰিম ?**

- ➡ সকলো ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিবৰ বাবে ক্ৰিয়া-কলাপ, অনুশীলনৰ আগতীয়া পৰিকল্পনা কৰিব পাৰিম।
- ➡ আৰম্ভণিৰে পৰা সঠিকভাৱে লিখনৰ গুৰুত্ব দিয়াৰ প্ৰতি সচেষ্ট হ'ব পাৰিম।
- ➡ লিখনৰ দুৰ্বল দিশসমূহ চিনাক্তকৰণ কৰি বাৰে বাৰে অভ্যাস, অনুশীলনৰ যোগেদি সেই দুৰ্বলতা দূৰীকৰণৰ বাবে প্ৰচেষ্টা লোৱাৰ কৌশল আয়ত্ত কৰিবলৈ সক্ষম হ'ম।
- ➡ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ বিশেষকৈ (লিখনৰ) অবিৰত মূল্যায়ন কৰিবলৈ সুযোগৰ সৃষ্টি কৰিব পাৰিম।
- ➡ ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ লগত তুলনা কৰি আমি শিক্ষকসকলেও স্ব-মূল্যায়ন কৰিব পাৰিম।
- ➡ নতুন নতুন উদ্ভাৱনী চিন্তাৰ ক্ৰিয়া-কলাপেৰে শ্ৰেণীকোঠা গতিশীল কৰিব পাৰিম।

**লিখন দক্ষতা বিকাশৰ ব্যৱস্থাৱলী ঃ**

শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক লিখন কাৰ্য, যেনে,— শ্ৰুতলিপি, প্ৰশ্নোত্তৰ, ব'ৰ্ডত লিখন আদি কৰিবলৈ দিলে দেখা যায় কিছুমান ছাত্ৰ-ছাত্ৰীয়ে বানান ভুল কৰে, কিছুমানে আখৰৰ শুদ্ধ ৰূপ ভালকৈ লিখিব নাজানে, কিছুমানে যতি, বিৰাম চিন ব্যৱহাৰ কৰাত ভুল কৰে। বিশেষকৈ বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ নথকা আৰু যুক্তাক্ষৰ থকা শব্দৰ বানানবোৰ শুদ্ধকৈ লিখিব নোৱাৰে। এনেক্ষেত্ৰত শিক্ষক হিচাপে আমি কেনেধৰণৰ ব্যৱস্থা ল'ব পাৰোঁ ? এটা ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে আমি জানিব পাৰিম —

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপত উপস্থাপন কৰা হ'ল -**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ১) বাক্যত ধ্বনিৰ মিল থকা অথচ অৰ্থৰ মিল নথকা শব্দৰ সঠিক প্ৰয়োগ কৰিব পৰা | ➡আৰ্ট পেপাৰ<br>➡ছবি<br>➡শব্দৰ চাৰ্ট | ক্ৰিয়া-কলাপ | ১) তলত দিয়া শব্দ কেইটাৰ অৰ্থ জানি একোটাকৈ বাক্য গঠন কৰা<br>ক) ম'হ/মহ<br>খ) গড়/গঁড়<br>গ) পুথি/পুঠি | অবিৰত আৰু সামগ্ৰীক মূল্যায়ন |
| ২) যুক্তাক্ষৰ ভাঙিব আৰু গঠন কৰিব পৰা। | যুক্তাক্ষৰ ভাঙা আৰু গঠন কৰা কাৰ্ড | ক্ৰিয়া-কলাপ | ২) তলত দিয়া যুক্তাক্ষৰবোৰ ভাঙা ঃ<br>ঞ্চ, স্ম, দ্ধ, ন্ধ।<br>তলত দিয়া যুক্তাক্ষৰবোৰ গঠন কৰা।<br>ঙ + গ = , শ + ৰ + উ = , ন + ধ = | |
| ৩) যুক্তাক্ষৰযুক্ত বাক্য আৰু সৰু সৰু দফা ক্ৰম অনুসৰি লিখিব পৰা। | কাৰ্ডত লিখা বাক্য | ক্ৰিয়া-কলাপ | ৩) তলৰ দিয়া বাক্যসমূহ পঢ়ি ঘটনাৰ ক্ৰম অনুসৰি লিখা-<br>➡পৰিস্মিতা প্লাৱনৰ পত্নীৰ নাম।<br>➡সিহঁতৰ লগত অঞ্জনো থাকে।<br>➡অঞ্জনে তাইক বৰ শুশ্ৰূষা কৰিছিল।<br>➡এবাৰ পৰিস্মিতাৰ জ্বৰ হৈছিল।<br>➡সিহঁতৰ বাগিছাত এজোপা গুলঞ্চ ফুল আছে<br>➡অঞ্জন প্লাৱনৰ সম্বন্ধীয় ভায়েক।<br>➡প্লাৱনহঁতৰ ঘৰ ডিব্ৰুগড় চহৰত।<br>➡সি ঘৰখনৰ সমস্ত কাম কৰিছিল। | |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

**প্ৰস্তুতি ঃ**

➪ ছবি, আৰ্ট পেপাৰ, চাৰ্ট

গুৱাহাটী চহৰৰ এখন প্ৰাথমিক বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পাঠ পঢ়াই থাকোঁতে শিক্ষয়িত্ৰী দৰ্শনা বৰুৱাই মন কৰিলে যে ভাষা বিষয়ৰ পাঠদান কৰোঁতে ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰবিহীন আৰু যুক্তাক্ষৰযুক্ত শব্দ লগাই বাক্য গঠন কৰাত অসুবিধা পায়।

'আগলি বাঁহত বগলীৰ বাহ' পাঠটো আলোচনা কৰোঁতে তেওঁ লক্ষ্য কৰিলে যে ছাত্ৰ-ছাত্ৰীসকলে ধ্বনিৰ মিল অথচ অৰ্থৰ মিল নথকা শব্দসমূহেৰে বাক্য গঠন কৰিব পৰা নাই। যুক্তাক্ষৰযুক্ত শব্দৰ বানানবোৰো শুদ্ধকৈ লিখিব পৰা নাই।

তৃতীয় শ্ৰেণীৰ ভাষা শিক্ষয়িত্ৰী হিচাপে তেওঁ চিন্তা কৰিলে যে, দ্বিতীয় পৰ্যায়ৰ সাময়িকীৰ অন্তৰ্গত ৪নং আৰু ৫নং পাঠত থকা যুক্তাক্ষৰ থকা শব্দৰ শুদ্ধ প্ৰয়োগ ভালদৰে শিকালেহে ছাত্ৰ-ছাত্ৰীয়ে এই পাঠ সহজে আয়ত্ত কৰিব পাৰিব।

দৰ্শনা বৰুৱাই পাঠকেইটা পঢ়ি দেখিলে যে পাঠ নং ৪ ত ধ্বনিৰ মিল অথচ অৰ্থৰ মিল নথকা ভালেমান শব্দ আছে, যিবোৰৰ স্পষ্ট ধাৰণা ছাত্ৰ-ছাত্ৰীক দিয়াটো প্ৰয়োজন। তেওঁ আগতীয়াকৈ পাঠৰ পৰা তলত দিয়া তালিকাত থকা কিছুমান শব্দ নিজাববীয়াকৈ বাছি উলিয়ালে।

| তালিকা | | | | |
|---|---|---|---|---|
| হাট<br>হাত | বাঁহ<br>বাহ | পুথি<br>পুঠি | মহ<br>ম'হ | গড়<br>গঁড় |

শব্দবোৰৰ অৰ্থ প্ৰকাশ হ'ব পৰাকৈ কিছুমান ছবি গোটাই এখন আৰ্ট পেপাৰত আঠা লগাই চাৰ্ট তৈয়াৰ কৰিলে। দ্বিতীয়দিনা নিৰ্দিষ্ট ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত চাৰ্টখন আঁৰি দি তাত লিখা নামবোৰ হাতেৰে ঢাকি ৰাখি তেওঁলোকক ছবিখন চাই বাক্যটো সম্পূৰ্ণকৈ লিখিবলৈ দিলে। ছবিবোৰ চাই বস্তুৰ নামবোৰ মুখেৰে কোৱাৰ পাছত তালিকাত লিখামতে একে হৈছে নে নাই পৰীক্ষা কৰিবলৈ দিলে। দেখা গ'ল তিনিজন ছাত্ৰ-ছাত্ৰীৰ বাহিৰে বাকীসকলে ছবিৰ সহায়ত বাক্যবোৰ সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ পাছত মুখেৰে কোৱা বাক্যসমূহ নিজৰ নিজৰ বহীত লিখিবলৈ দিলে। যুক্তাক্ষৰথকা শব্দবোৰৰ বানানৰ শুদ্ধতা আনিবৰ বাবে দৰ্শনা বৰুৱাই অন্য এখন তালিকা তৈয়াৰ কৰিলে। তালিকাখনত থকা যুক্তবৰ্ণবোৰ পুনৰবাৰ এজন/দুজন ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা ব'ৰ্ডত লিখি দিলে।

তিনিটা বৰ্ণেৰে গঠিত যুক্তাক্ষৰৰ বাবে নিৰ্দিষ্ট ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ কাৰ্ড তৈয়াৰ কৰি দেখুৱালে আৰু তাৰ পৰা নিজৰ মতে বৰ্ণ একোটা বাছি লৈ বাক্য সাজিবলৈ দিলে। দেখা গ'ল যে সকলো ছাত্ৰ-ছাত্ৰীয়ে এই বৰ্ণৰ খেলত যোগদান কৰি যুক্তাক্ষৰ তৈয়াৰ কৰিবলৈ সক্ষম হ'ল। দ্বিতীয় দিনাও যুক্তাক্ষৰৰ খেলত তেওঁলোকে আনন্দমনে যোগদান কৰিলে।

*বিঃ দ্ৰঃ*

➪ *শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব আৰু অনুপস্থিত ছাত্ৰ-ছাত্ৰীসকল যাতে বিদ্যালয়ত উপস্থিত থাকে তাৰ বাবে পদক্ষেপ ল'ব লাগিব।*

➪ *লিখন কৌশল বিকাশৰ বাবে আটাইতকৈ প্ৰভাৱশালী ক্ৰিয়া-কলাপ হৈছে শ্ৰুতলিপি। সেইবাবে আমি শিক্ষক হিচাপে শ্ৰেণীকোঠাত পাৰ্যমানে শ্ৰুতলিপি দিব পাৰোঁ !*

**চিন্তা কৰি চাওঁ আহক ঃ**

ক) শ্ৰীমতী দৰ্শনা বৰুৱাই বৰ্ণৰ শুদ্ধ ৰূপ গঠনত ইমান গুৰুত্ব আৰোপ কৰাৰ কাৰণ কি হ'ব পাৰে?

খ) পাঠত থকা স্বত্বেও শ্ৰীমতী বৰুৱাই নিজস্বভাৱে এখন ছবি সহ তালিকা প্ৰস্তুত কৰাৰ কাৰণ কি হ'ব পাৰে?

গ) শ্ৰীমতী বৰুৱাই বৰ্ণ কাৰ্ড তৈয়াৰ কৰি সেইবোৰৰ পৰা কিয় বৰ্ণবোৰ বাছি উলিয়াবলৈ দিলে? মযো দৰ্শনা বৰুৱাই কৰা প্ৰচেষ্টাৰ দৰে প্ৰয়াস কৰি চাওঁচোন—

**ক্ৰিয়া-কলাপ ঃ**

৫নং পাঠ 'মাকণৰ চিঠি'ত থকা যুক্তাক্ষৰবোৰ সহজকৈ বুজি লিখনত ব্যৱহাৰ কৰিবৰ বাবে তলত উল্লেখ কৰা ক্ৰিয়া-কলাপটোৰ অনুশীলন কৰাব পাৰি।

মই ছাত্ৰ-ছাত্ৰীসকলক 'মাকণৰ চিঠি' পাঠটো পঢ়ি পাঠত পোৱা যুক্তাক্ষৰসমূহ উলিয়াবলৈ দিম, যেনে,— বিপ্লৱ শব্দৰ পৰা 'প্ল' যুক্তাক্ষৰ। তেওঁলোকে ৪/৫ জনীয়া দলত ভাগ হৈ পাঠত থকা যুক্তাক্ষৰসমূহ উলিয়াবলৈ চেষ্টা কৰিব। মই যিকোনো এজন ছাত্ৰ/ছাত্ৰীক মাতি তেওঁলোকৰ দলে বিচাৰি উলিওৱা যুক্তাক্ষৰসমূহ বোৰ্ডত লিখিবলৈ দিম। এনেদৰে বাকী দলৰ ছাত্ৰ-ছাত্ৰীৰ সহযোগত পাঠত থকা যুক্তাক্ষৰকেইটা বোৰ্ডত লিখাম। লিখোঁতে ভুল হ'লে মই শুদ্ধ কৰি দিম। প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীকে বোৰ্ডত থকা যুক্তাক্ষৰকেইটা নিজৰ টোকাবহীত লিখি ল'বলৈ ক'ম।

৫নং পাঠত থকা যুক্তাক্ষৰৰ তালিকা —

স্ত্ৰ স্ত ঞ্চ স্ম দ্ধ ন্ধ ঙ্গ শ্ৰ প্ল

এইবাৰ বোৰ্ডখন মোহাৰি মই যিকোনো এজন ছাত্ৰ/ছাত্ৰীক তালিকাত থকা এটা বা দুটা যুক্তাক্ষৰ প্ৰয়োগ কৰি নতুন শব্দ গঠন কৰিবলৈ দিলোঁ। তেওঁক মুখেৰে শব্দটো মাতিবলৈ দি বোৰ্ডত লিখিবলৈ দিলোঁ। নোৱাৰিলে আন এজন ছাত্ৰক কৰিবলৈ দিলোঁ। ছাত্ৰজনে শুদ্ধকৈ লিখিলে, আকৌ আন এজন ছাত্ৰ/ছাত্ৰীক সেই যুক্তাক্ষৰ প্ৰয়োগ কৰি নতুন শব্দ ক'বলৈ দি লিখিবলৈ দিলোঁ; উদাহৰণ স্বৰূপে, - মই বোৰ্ডত 'ন্ধ' যুক্তাক্ষৰটো লিখোঁতে পল্লৱীয়ে 'গোন্ধ' শব্দটো কৈ বোৰ্ডত লিখিলে। তেওঁ কিন্তু 'গোন্দ' বুলিহে লিখিলে। মই ছাত্ৰ-ছাত্ৰীসকলক শুদ্ধ হৈছে নে নাই সুধি পুনৰ লিখিবলৈ দিয়াত এজন ছাত্ৰই 'গোন্ধ' বুলি শুদ্ধকৈ লিখি দিলে। পুনৰ 'ন্ধ' যুক্তাক্ষৰ লগাই আৰু কি শব্দ লিখিব পাৰি বুলি সোধোঁতে আন এজনী ছাত্ৰীয়ে বোৰ্ডত 'কান্ধ' শব্দটো লিখিলে। এনেদৰে মই পাঠত থকা প্ৰত্যেকটো যুক্তাক্ষৰ ছাত্ৰ-ছাত্ৰীক মাতি আনি বোৰ্ডত লিখিবলৈ দিলোঁ। মই লক্ষ্য কৰিছিলোঁ যে, জেৰিণা আৰু অৰূপে মুখেৰে নিৰ্দিষ্ট যুক্তাক্ষৰযুক্ত শব্দ মাতিব পাৰিলেও লিখোঁতে ভুল কৰিছে। মই তেওঁলোকৰ টোকা বহীত ভুল কৰা যুক্তাক্ষৰবোৰ ভাঙি ভাঙি লিখিবলৈ দিলোঁ। এনেদৰে ছাত্ৰ-ছাত্ৰীক মই পৰ্যৱেক্ষণ কৰিলোঁ।

পাঠটোত থকা নিৰ্দিষ্ট যুক্তাক্ষৰবোৰ প্ৰয়োগ কৰি মই প্ৰতিটো দলক নতুন শব্দ লিখিবলৈ দিলোঁ, যেনে,— বিপ্লৱ, প্লাৱন ইত্যাদি। প্ৰত্যেক দলে লিখা যুক্তাক্ষৰথকা শব্দবোৰ দলৰ এজনক পঢ়িবলৈ কলোঁ। এই ক্ৰিয়া-কলাপে ছাত্ৰ-ছাত্ৰীৰ শব্দ ভাণ্ডাৰ বৃদ্ধি কৰিলে।

শ্ৰেণীকক্ষৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে পাঠত থকা যুক্তাক্ষৰসমূহ পঢ়ি চিনি পাই শব্দত প্ৰয়োগ কৰিব পৰা হোৱাত, মই তেওঁলোকক যুক্তাক্ষৰযুক্ত শব্দ প্ৰয়োগ কৰি বাক্য ৰচনা লিখিবলৈ দিলোঁ। মই মন কৰিলোঁ সকলো ছাত্ৰ-ছাত্ৰীয়ে সক্ৰিয়ভাৱে ক্ৰিয়া-কলাপত অংশগ্ৰহণ কৰিব পাৰিছে।

**সাৰাংশ ঃ**

ওপৰোক্ত ক্ৰিয়া-কলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে -

- ⇨ বাক্যত ধ্বনিৰ মিল থকা অথচ অৰ্থৰ মিল নথকা শব্দৰ সঠিক প্ৰয়োগ কৰিব পাৰিছে।
- ⇨ যুক্তাক্ষৰ ভাঙি আৰু গঠন কৰি লিখিব পাৰিছে।
- ⇨ যুক্তাক্ষৰ থকা শব্দ আৰু তেনে শব্দ থকা বাক্য আৰু সৰু দফা লিখিব পাৰিছে।
- ⇨ লিখন কৌশল আয়ত্ত কৰিছে।

ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁ আহকচোন —

➡ তলৰ বাকচটোত থকা বাক্যবোৰ পঢ়ি যুক্তিসংগত ক্ৰম অনুসৰি সজাই এটা দফা লিখা।

- পৰীস্মিত্র প্লাৱনৰ পত্নীৰ নাম।
- সিহঁতৰ লগত অঞ্জনো থাকে।
- অঞ্জনে তাইক বৰ শুশ্ৰূষা কৰিছিল।
- প্লাৱনহঁতৰ ঘৰ ডিব্ৰুগড় চহৰত।
- সি ঘৰখনৰ সমস্ত কাম কৰিছিল।
- এবাৰ পৰীস্মিতাৰ জ্বৰ হৈছিল।
- অঞ্জন প্লাৱনৰ সম্বন্ধীয় ভায়েক।
- সিহঁতৰ বাগিচাত এজোপা ডলঙ্ক ফুল আছিল।

➡ তলত দিয়া শব্দকেইটাৰ অৰ্থ জানি একোটাকৈ বাক্য গঠন কৰা।

ক) ম'হ/মহ　　খ) গড়/গঁড়　　গ) পুথি/পুঠি

➡ সোঁফালে বাকচত থকা যুক্তাক্ষৰসমূহৰপৰা উপযুক্ত যুক্তাক্ষৰটো আনি খালী ঠাইত বহুৱাই পূৰ কৰা।

ক) অ _______ ল　　ঙ) আ _______ ৰ

খ) বি _______ ব　　চ) বি _______ য়

গ) _______ তলিপি　　ছ) পত _______

ঘ) শু _______　　জ) _______ শ্ৰূষা

| | | |
|---|---|---|
| ঞ্চ | স্ম | দ্ধ |
| ন্ধা | শু | প্ল |
| শ্ৰ | ঙ্গ | |

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

➡ তলত দিয়া যুক্তাক্ষৰবোৰ ভাঙা ঃ

ঞ্চ, স্ম, দ্ধ, ন্ধ।

➡ তলত দিয়া যুক্তাক্ষৰবোৰ গঠন কৰা ঃ

ঙ + গ = ☐,　　শ + ৰ + উ = ☐,　　ন + ধ = ☐

➡ তুমি পুৱা শুই উঠাৰ পৰা বিদ্যালয়লৈ অহাৰ সময়লৈকে কি কি কৰিলা একাদিক্ৰমে লিখা।

➡ ‘মাকণৰ চিঠি’ পাঠটো পঢ়ি তাত কেইটা যুক্তাক্ষৰ পালা, তাৰ এখন তালিকা প্ৰস্তুত কৰা।

➡ তলত দিয়া যুক্তাক্ষৰকেইটা প্ৰয়োগ কৰি ৩টাকৈ শব্দ লিখা।

শ্ৰু, ন্ধ, ৰ্য, স্ত্ৰ, ন্দ, ঞ্জ, ত্ন

**প্ৰসঙ্গ পুথি ঃ**

➡ পাঠ্যপুথি - অংকুৰণ।

➡ অসমীয়া ব্যাকৰণ প্ৰৱেশ — ড° গোলোক চন্দ্ৰ গোস্বামী।

➡ অসমীয়া মাতৃভাষা শিক্ষণ পদ্ধতি — শ্ৰীহলিৰাম দাস।

➡ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

***